# Phone call between Prime Minister Shri Narendra Modi and H.E. Paul Kagame, President of Rwanda

June 05, 2020

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু ৰোৱাণ্ডাৰ ৰাষ্ট্ৰপতি মহামান্য পল কাগামেৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

জুন 05, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ৰোৱাণ্ডাৰ ৰাষ্ট্ৰপতি মহামান্য পল কাগামেৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে। প্ৰধানমন্ত্ৰীয়ে 2018 চনত ৰোৱাণ্ডা ভ্ৰমণৰ ফলত দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত যি অগ্ৰগতি হৈছিল তাৰ বাবে সন্তোষ প্ৰকাশ কৰে। ৰোৱাণ্ডাৰ ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰীৰ ৰোৱাণ্ডা ভ্ৰমণৰ সময়ত 200 ভাৰতীয় গৰু উপহাৰ দিয়াৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে আৰু কয় যে ইয়াৰ ফলত ৰোৱাণ্ডাৰ শিশুসকলৰ কাৰণে পৰ্যাপ্ত পৰিমাণৰ গাখীৰ উপলব্ধ হৈছে আৰু কৃষকৰ আয় বাঢ়িছে।

নেতা দুগৰাকীয়ে কভিড-19 মহামাৰীৰ ফলত অৰ্থনৈতিক আৰু স্বাস্থ্যসেৱাৰ ক্ষেত্ৰখনত দেখা দিয়া প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰে। এই সংকটৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত পৰস্পৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে তেওঁলোকে তথ্য বিনিময় কৰে আৰু নাগৰিকসকলৰ কল্যাণ সুনিশ্চিত কৰে। বৰ্তমান সংকটৰ সময়ছোৱাত দুয়োখন দেশৰ নাগৰিকসকলৰ সহায়ৰ কাৰণে সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত সহমত পোষণ কৰে।

কৰ'না ভাইৰাছক প্ৰতিহত কৰিবৰ কাৰণে ৰোৱাণ্ডাৰ ৰাষ্ট্ৰপতিক চিকিত্সা সাহাৰ্য সহ অন্যান্য সাহাৰ্যৰ প্ৰতিশ্ৰুতি দিয়ে। তেখেতে ৰাষ্ট্ৰপতি কাগামেৰ নেতৃত্বত সংকটৰ কাৰ্যকৰী প্ৰতিৰোধ ব্যৱস্থা আৰু এই প্ৰত্যাহ্বানসমূহৰ মোকাবিলাত দেশখনৰ জনসাধাৰণে যিদৰে যুঁজ দিছে প্ৰধানমন্ত্ৰীয়ে তাৰ বাবে শলাগ লয়।

এই সংকটৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে ৰোৱাণ্ডাৰ জনসাধাৰণৰ সুস্বাস্থ্য আৰু কল্যাণৰ কামনা কৰে।

**নতুন দিল্লী**
**জুন 05, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.